**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-06-2026 **Time :** 1100 Hrs.

অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিষ্ণু ৰাভা দিৱস হিচাপে পালন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ বিষ্ণুপ্ৰসাদ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

ৰাজ্যৰ বিভিন্ন ঠাইত বিষ্ণু ৰাভা দিৱস উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আৰু সতী সাধনী বঁটাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ, ২০২৫ বৰ্ষৰ আজানপীৰ বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়োৱা হৈছে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হৈছে। অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকক এই সন্মানীয় বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হ'ব।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ বিজুলী কলিতা মেধি, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে লেখক, গৱেষক ডঃ অনিল শইকীয়া উপস্থিত থাকিব।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বৰপেটাৰ হাউলিত উদযাপন কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে বৰপেটাৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই –

বাইট

ভাৰতীয় গণনাট্য সংঘ, গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত চানমাৰিৰ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সভাকক্ষত এই দিৱসৰ আয়োজন কৰা হৈছে।

সমগ্ৰ শিক্ষা ডিব্ৰুগড় জিলাৰ উদ্যোগত আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উমৈহতীয়া মঞ্চ মন্থনৰ সহযোগত আজি ডিব্ৰুগড় ৰে'লৱে হাইস্কুলত বিষ্ণু ৰাভা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সমগ্ৰ শিক্ষা আৰু মন্থনৰ প্ৰচেষ্টাত বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ সমবেত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। খণ্ড পৰ্যায়ত দুটাকৈ দলে জিলাভিত্তিক মূল প্ৰতিযোগিতাত অংশ লৈছে।

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যৌথ উদ্যোগত জিলা সাহিত্য সভা আৰু শংকৰদেৱ সংঘৰ ধেমাজি জিলা শাখাৰ সহযোগত গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস উদযাপন কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ দ্বাৰা পৰিচালিত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট কাইলৈ হ'বলগীয়া পুনৰ পৰীক্ষাৰ বাবে দেশজুৰি আজি মকড্ৰিল বা আখৰা অনুষ্ঠিত হৈছে। আজি পুৱা ক্ষন্তেক আগতে আৰম্ভ হোৱা এই মকড্ৰিল সন্ধিয়া পৰ্যন্ত অব্যাহত থাকিব। এই মকড্ৰিলত দুই লাখ ৫ হাজাৰ নিৰাপত্তাৰক্ষীক নিয়োজিত কৰা হৈছে। মুঠ তিনিতৰপীয়া নিৰাপত্তা বেষ্টনীৰ ব্যৱস্থা গঢ়া এই পৰীক্ষাৰ সকলো কেন্দ্ৰ ইতিমধ্যে নেচনেল টেষ্টিং এজেন্সিক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হ'ব। সমগ্ৰ দেশৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত কাইলৈ হ'বলগীয়া এই পৰীক্ষাৰ প্ৰক্ৰিয়া নিখুঁত আৰু ত্ৰুটিমুক্ত কৰাৰ উদ্দেশ্যেৰে চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে সমগ্ৰ পৰীক্ষা প্ৰক্ৰিয়াটো নেচনেল টেষ্টিং এজেন্সিয়ে তদাৰক কৰিব। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে। পৰীক্ষাক কেন্দ্ৰ তদন্তকাৰী আৰু নিৰাপত্তা সংস্থালৈ হাই এলাৰ্ট জাৰি কৰা হৈছে। জিলা প্ৰশাসনৰ উপৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও এই পৰীক্ষা ব্যৱস্থাত সামগ্ৰিকভাৱে দৃষ্টি ৰখা হ'ব। উল্লেখযোগ্য যে কাইলৈ এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ উদ্দেশ্যে ২২ লাখ পৰীক্ষাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ১৮ লাখে ইতিমধ্যে এডমিট কাৰ্ড ডাউনলোড কৰিছে।

কাইলৈ হ'বলগীয়া এই পৰীক্ষা শান্তিপূৰ্ণ আৰু নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহো ইতিমধ্যে সাজু হৈ উঠিছে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ এটা দলে জিলাখনৰ পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া ৫টা কেন্দ্ৰ কালি পৰিদৰ্শন কৰে। দলটোৱে পৰীক্ষা কেন্দ্ৰসমূহৰ সুযোগ-সুবিধাৰ বুজ লয়।

শোণিতপুৰ আৰু নগাঁও জিলা প্ৰশাসনেও কাইলৈৰ পৰীক্ষাৰ বাবে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। আঁঠুৰ আঘাতৰ বাবে শৃংখলাৰ পৰা আঁতৰি থকা ফাষ্ট বলাৰ হৰ্ষিত ৰাণাই ফাইনেলত ভাৰতীয় দলত যোগদান কৰিছে। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটোৱে ধৰমশালাত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰাৰ লগতে লক্ষ্ণৌত অনুষ্ঠিত দ্বিতীয়খন খেলত ১৭০ ৰানত জয়লাভ কৰে।

০০০০০০০০

**সমাপ্ত**